Assamese Paper
Amar Asom
Dated - 31st May, 2020



যোৰহাটত ক'ভিড-১৯ৰ পৰীক্ষাগাৰ মুকলি কৰিছে স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই, শনিবাৰে

## কোৱাৰেণ্টীনত সফল হ'ব নোৱাৰিলে আমি কভিড-১৯ বিৰোধী যুঁজখনত সফল হ'ব নোৱাৰিম

**যোৰহাটৰ ষ্টাফ ৰিপ'ৰ্টাৰ আৰু পশ্চিম যোৰহাটৰ প্ৰতিবেদক ঃ** "বাহিৰৰ পৰা যিসকল লোক আহিছে সেইসকলে জ্ঞাতে বা অজ্ঞাতে গাত কৰ'না ভাইৰাছ বহন কৰি আনিছে। বৰ্তমানলৈকে অসমত কৰ'না পজিটিভসকলৰ প্ৰায় সংখ্যক ডেকা বয়সৰ। ডেকা মানুহ কৰ'নাত আক্ৰান্ত হ'লেও সহজে ভাল হৈ যায়, কাৰণ তেওঁলোকক কৰ'নাই অনিষ্ট কৰিব নোৱাৰে। কিন্তু যদি কেনেবাকে বয়সস্থ লোক, শিশু আৰু গৰ্ভৱতী মহিলাক এই ভাইৰাছে আক্ৰমণ কৰে তেন্তে বিপদ অনিবাৰ্য। সেয়ে বাহিৰৰ পৰা অহা লোকসকলে ১৪ দিন কোৱাৰেণ্টীনত থাকিবই লাগিব। অন্যথা তেওঁলোক যদি ঘৰলৈ গৈ সাধাৰণ লোকৰ লগত মিলি যায় তেন্তে কৰ'নাই মাৰাত্মক ৰূপ ধাৰণ কৰিব। সেয়ে কোৱাৰেণ্টীনত সফল হ'ব নোৱাৰিলে আমি কৰ'না বিৰুদ্ধে আৰম্ভ কৰা যুঁজখনত হাৰি যাম।" আজি যোৰহাটৰ পশ্চিমে উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞান প্ৰতিষ্ঠান (নেইষ্ট)ত নেইষ্টৰ বিজ্ঞানীসকলৰ প্ৰচেষ্টাত স্থাপন কৰ'না চিকিৎসালয় আৰু চিকিৎসা গৱেষণা প্ৰতিষ্ঠানৰ বাহিৰৰ প্ৰথমটো কৰ'না পৰীক্ষাগাৰ উদ্বোধন কৰি স্বাস্থ্য, বিত্ত, শিক্ষা, গড়কাপ্তানীকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। মন্ত্ৰীজনে কয় যে গাঁৱলৈ যাতে কৰ'না মহামাৰীৰ সংক্ৰমণ নহয় তাৰ বাবে সকলোৱে আৰু বিশেষভাৱে ৰাজ্যৰ বাহিৰৰ পৰা অহা লোকসকলে সাৱধান হ'ব লাগিব। মন্ত্ৰীজনে কৰ'না পৰীক্ষাগাৰ স্থাপনৰ জৰিয়তে কৰ'না বিৰোধী যুঁজখনত চৰকাৰক সহায় কৰিবলৈ আগবাঢ়ি অহাৰ বাবে নেইষ্টৰ সঞ্চালক আৰু বিজ্ঞানীসকলৰ শলাগ লয়। তেওঁ কয় যে এইটো হ'ব ৰাজ্যখনৰ অষ্টমটো কৰ'না পৰীক্ষাগাৰ। ইয়াৰ পূৰ্বে কেৱল লাহোৱালতহে এই পৰীক্ষা কৰা হৈছিল। কিন্তু বৰ্তমানলৈকে ৰাজ্যখনৰ বিভিন্ন চিকিৎসা মহাবিদ্যালয়ত গঢ়ি উঠা পৰীক্ষাগাৰৰ জৰিয়তে ইতিমধ্যে ৮৫,০০০ পৰীক্ষা সম্পূৰ্ণ কৰা হৈছে আৰু দুই-এদিনতে এক লাখ অতিক্ৰম কৰিব। ১৫ জুনৰ ভিতৰত ৰাজ্যত কৰ'না পৰীক্ষাগাৰৰ সংখ্যা বাৰটালৈ বৃদ্ধি কৰা হ'ব বুলি উল্লেখ কৰি মন্ত্ৰী ড° শৰ্মাই ৰাজ্যৰ প্ৰতিষ্ঠিত বিজ্ঞান প্ৰতিষ্ঠানসমূহকো কৰ'না পৰীক্ষাগাৰ স্থাপনৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। নেইষ্টৰ সঞ্চালক ড° জি নৰহৰি শাস্ত্ৰীকে ধৰি বিজ্ঞানীসকলৰ লগতে কৃষি মন্ত্ৰী অতুল বৰা, স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পিয়ুষ হাজৰিকা, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, যোৰহাট লোক সভা সমষ্টিৰ সাংসদ তপন গগৈ, দেৰগাঁও বিধান সভা সমষ্টিৰ বিধায়ক ভবেন্দ্ৰনাথ ভৰালী, প্ৰাক্তন বিধায়ক তথা বিজেপিৰ ৰাজ্যিক মুখপত্ৰ হেমন্ত কলিতা, প্ৰাক্তন বিধায়িকা তথা উপসভানেত্ৰী সুশীলা হাজৰিকা, জিলা উপায়ুক্ত ৰশ্মি অপৰাঞ্জি কোৱাটিকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থকা উদ্বোধনী অনুষ্ঠানৰ পিছত ড° শৰ্মাকে ধৰি বিশিষ্ট ব্যক্তিসকলে পৰীক্ষাগাৰটো পৰিদৰ্শন কৰে।